জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২১৬/২০২০**

# উদীয়মান ছাত্ৰনেতা অভিজিত শইকীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ এপ্ৰিল ঃ** উদীয়মান ছাত্ৰনেতা অভিজিত শইকীয়াৰ অকাল বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এইগৰাকী ছাত্ৰনেতাই তেওঁৰ নাতিদীৰ্ঘ জীৱনত সমাজ সেৱাৰ যি উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছিল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। কভিড-১৯য়ে সৃষ্টি কৰা সাম্প্ৰতিক জটিল পৰিস্থিতিৰ সময়তো ছাত্ৰ-নেতাগৰাকীয়ে সমাজৰ দুৰ্গতসকললৈ সাহায্য আগবঢ়োৱাৰ বাবে যাওঁতে দুৰ্ঘটনাত পতিত হৈ হাস্পতালত মৃত্যুবৰণ কৰিবলগা হোৱাটো এক দুখদায়ক, মৰ্মান্তিক পৰিঘটনা। এই ছাত্ৰনেতাগৰাকীৰ বিয়োগ ৰাজ্যখনৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে  কয়।

মুখ্যমন্ত্ৰীগৰাকীয়ে ছাত্ৰনেতাগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, উদীয়মান ছাত্ৰনেতা অভিজিত শইকীয়াৰ বিয়োগত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ছাত্ৰনেতাগৰাকীৰ অকাল বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে ছাত্ৰনেতাগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ / প্ৰঃকুঃব**

**২৭/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in